## চাৰিখন বিদ্যালয়ক অন্তৰ্ভুক্তিৰে নতুন পদক্ষেপ ঃ বিজ্ঞান শিক্ষাৰ প্ৰতি অধিক আগ্ৰহী কৰাৰ প্ৰয়াস

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ বহিঃসংযোগ কাৰ্যসূচীৰ শুভাৰম্ভ

নিয়মীয়া বাৰ্তা, হেলেম, ২৮ এপ্ৰিল ঃ গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ বহিঃসংযোগ কাৰ্যসূচীৰ ২৫ এপ্ৰিলত স্থানীয় দিলাপথৰা বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ত শুভাৰম্ভ কৰা হয়। গহপুৰ মহকুমাৰ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ আৰু বিজ্ঞানৰ বিভিন্ন পৰীক্ষা- নিৰীক্ষা হাতে-কামে কৰি বিজ্ঞান শিক্ষাক নতুনত্ব প্ৰদান কৰাৰ প্ৰয়াসেৰে অসম ৰাজ্যিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদে গ্ৰহণ কৰা বহিঃসংযোগ আঁচনি তথা প্ৰকল্পৰ অংশ হিচাপে ছয়দুৱাৰ মহাবিদ্যালয়ে বিদ্যালয়খনত উক্ত পদক্ষেপ গ্ৰহণ কৰে। এই উপলক্ষে প্ৰকল্পটোৰ সমন্বয়ক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপক ড° ৰাজু ওজাই



আঁত ধৰা শুভাৰম্ভণী অনুষ্ঠানটোত ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই বস্তুনিষ্ঠ বক্তব্য প্ৰদানেৰে প্ৰকল্পটোৰ বিষয়ে সম্যক ধাৰণা আগবঢ়ায়। দিলাপথৰা বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লোকেন্দ্ৰ খাউণ্ডে প্ৰকল্পটোৰ লগত জড়িত হৈ থকা সমল ব্যক্তিসকলক আদৰণি জনোৱাৰ লগতে বিদ্যালয়খনক এনে এক অভিনৱ প্ৰকল্পৰ লগত জড়িত হোৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে আনন্দ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানটোত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰি প্ৰকল্পটোৰ সমন্বয়ক ড° ৰাজু ওজাই প্ৰকল্পটোৰ জৰিয়তে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান শিক্ষাক নতুনত্ব প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি মত পোষণ কৰে। প্ৰায় তিনি মাহ ধৰি চলিবলগীয়া প্ৰকল্পটোৰ শুভাৰম্ভণিৰ দিনটোত পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষাত ব্যৱহাৰ কৰিব পৰা একাধিক সঁজুলি বিদ্যালয়খনলৈ আগবঢ়োৱা হয়। প্ৰকল্পটোৰ উদ্বোধনী অনুষ্ঠানৰ পিছত বিভিন্ন বিভাগৰ সমল ব্যক্তিসকলে উপস্থিত ছাত্ৰ- ছাত্ৰীসকলৰ বাবে উপযোগী তথা আকৰ্ষণীয় হোৱাকৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষাসমূহ সফলভাৱে উপস্থাপন কৰি দেখুৱায় আৰু শিক্ষাৰ্থীসকলেও উক্ত পৰীক্ষা-নিৰীক্ষাত আগ্ৰহেৰে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ছয়দুৱাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ দুগৰাকী ছাত্ৰ ক্ৰমে দেৱব্ৰত ভূঞা আৰু প্ৰফুল্ল কামানে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মহেন

১৩ পৃষ্ঠাত

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ বহিঃসংযোগ কাৰ্যসূচীৰ শুভাৰম্ভ

শইকীয়াৰ সহযোগত স্থানীয় বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা পানী আৰু কৃষিভূমিৰ মাটিৰ গুণাগুণ পৰীক্ষা কৰে। অভিনৱ তথা অতিশয় গুৰুত্বপূৰ্ণ প্ৰকল্পটোৰ শুভাৰম্ভণি অনুষ্ঠানটোত ছয়দুৱাৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক জ্ঞানজ্যোতি ৰাজখোৱা আৰু প্ৰাণী বিজ্ঞান বিভাগৰ গৱেষকদ্বয় ড° ফ্ৰিমেল বড়ো, ড° পূৰ্বজ্যোতি শইকীয়াই অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উৎসাহ প্ৰদান কৰে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি ছয়দুৱাৰ মহাবিদ্যালয়ৰ বায়'টেক হাবে শিক্ষাৰ্থীসকলক বিভিন্ন দিশত মাৰ্গদৰ্শন কৰোৱাৰ উপৰি একাধিক শিক্ষাৰ্থীৰ তেজৰ গ্ৰুপ নিৰ্ণয় কৰা হয়। উল্লেখ্য যে পৰৱৰ্তী সময়ত এই প্ৰকল্পটো গহপুৰ মহকুমাৰ আন তিনিখন বিদ্যালয় ক্ৰমে টেটোনপুখুৰী হাইস্কুল, গমিৰি হাইস্কুল আৰু পূব ডুবিয়া হাইস্কুললৈ সম্প্ৰসাৰিত কৰা হ'ব বুলি প্ৰকল্পটোৰ সমন্বয়ক ড° ৰাজু ওজাই জানিবলৈ দিছে।

Scanned with Oken Scanner